জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬/২০২১

# বিশিষ্ট সমাজকৰ্মী জয়ন্ত দুৰৰাৰ বিয়োগত মুখ্যমন্ত্ৰী সোণোৱালৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ৫ জানুৱাৰী ঃ** অসম আন্দোলনৰ অগ্ৰণী নেতা, বিশিষ্ট সমাজকৰ্মী জয়ন্ত দুৰৰাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত জয়ন্ত দুৰৰাই আমাৰ বৃহত্তৰ সমাজ জীৱনলৈ যি বৰঙণি আগবঢ়াই গ'ল তাক সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসম আন্দোলনৰ এগৰাকী অগ্ৰণী নেতা হিচাপে আন্দোলনৰ কাৰ্যসূচীসমূহ সফল কৰাৰ দিশত তেখেতে সক্ৰিয় বৰঙণি যোগাই গৈছে। সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি পদত কাৰ্যনিৰ্বাহ কৰি ছাত্ৰ সংগঠনটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ দিশটো প্ৰয়াত জয়ন্ত দুৰৰাই বৰঙণি যোগাই গৈছে। আনহাতে, সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থাকি আমাৰ বৃহত্তৰ সমাজখনলৈ তেখেতে যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট সমাজৰ্মীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জয়ন্ত দুৰৰাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**৫/০১/২০২১**